

১০.৬ অধিক জানিবলৈ

১) Reddy, K.P & Reddy D.N : *Environmental Education.* Hyderabad : Neelkamal Publication Pvt. Ltd, .

২) Mukunda Sarma : Enviromental and Population Education, DVS Publishers Panbazar, Guwahati

১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ।'সংৰক্ষণ' শব্দটোৰ প্রকৃতার্থ হ'ল পৃথিৱীৰ অসংখ্য প্রাকৃতিক আৰু জৈৱিক সম্পদ অপৰিৱর্তনীয়কৈ ৰখা। 'সুৰক্ষা' শব্দটোৰ অন্তর্নিহিত অর্থ হ'ল মানুহে দায়িত্বশীল হ'ব লাগে আৰু প্রাকৃতিক সম্পদৰ নিৰর্থক ধ্বংস আৰু অৱনতি বন্ধ কৰাৰ বাবে প্রয়োজনীয় পদক্ষেপ ল'ব লাগে। মানুহে প্রকৃতিৰ প্রতি বিপৰীতমূখী আৰু ধ্বংসকাৰী ভূমিকাত লিপ্ত হৈ সংযমহীনভাৱে আচৰণ কৰাতকৈ সচেতন মনোভাব প্রদর্শন কৰিব লাগে। বহল অর্থত 'সংৰক্ষণ আৰু সুৰক্ষা' সম্বন্ধযুক্ত বুলি ক'ব পাৰি। মানুহে প্রকৃতিৰ সুৰক্ষা কৰিলেহে প্রকৃতিৰ সংৰক্ষণ সম্ভৱপৰ হ'ব পাৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ জল (নিবাৰণ আৰু প্রদূষণ নিয়ন্ত্রণ) আইন, ১৯৭৪ ৰ প্রধান বৈশিষ্ট্যসমূহ এনেধৰণৰ —

- ই সকলো ধৰণৰ বাহ্যিক আৰু ভূগর্ভস্থ জলৰ গুণৰ ৰক্ষণাবেক্ষন আৰু পুনৰুদ্ধাৰৰ ব্যৱস্থা কৰিছে।
- ই কেন্দ্রীয় আৰু ৰাজ্যিক প্রদূষণ নিয়ন্ত্রণ মণ্ডল প্রতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিছে।
- এই আইনে মণ্ডলবোৰক প্রদূষণ নিয়ন্ত্রণৰ ক্ষমতা আৰু কার্য্যকৰী কৰাৰ পৰামর্শ দিয়ে।

৩ নং প্রশ্নৰ উত্তৰ ঃ সংবিধানৰ অনুচ্ছেদ ৪৮ (A) মতে, " এখন দেশে পৰিৱেশৰ সুৰক্ষা আৰু উন্নতিৰ লগতে দেশৰ অৰণ্য আৰু বন্যপ্রাণীক নিৰাপত্তা প্রদান কৰাৰ প্রচেষ্টা কৰিব লাগে।"

৪ নং প্রশ্নৰ উত্তৰ ঃ জল সংৰক্ষণৰ তিনিটা ব্যৱস্থা হ'ল —

- কাপোৰ ধোৱা, গা-ধোৱা, দাঁত ঘঁহা ইত্যাদিৰ পিছত পানীৰ কল খোলা ৰাখিব নালাগে।
- পানীৰ নিঃসৰণ নিৰীক্ষণ কৰিব লাগে আৰু তৎক্ষণিকভাৱে মেৰামতি কৰিব লাগে।